# পুৰনি অসমীয়া লিপিৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন

Kumar Bhaskar Varma Sanskrit and Ancient Studies University
Nalbari :: Assam :: 2011

স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ


**প্ৰস্তুত কৰ্তা**

পূজা কলিতা

শ্ৰেণী ৰোল নং - ৪৫

পঞ্জীয়ন নং - ২০১৩০১৪৭৮ / ২০১৯-২০২০

ৰোল নং - **ASM 41**

০.০১ আৰম্ভণি :

ক্ষেত্ৰ অধ্যয়নৰ বাবে দ্বিতীয় যান্মাসিকৰ 'লিপি আৰু পাঠ অসমীয়া' কাকতখনৰ পৰা লিপি বিষয়ক কিছু অংশ বাছি লৈ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আলোচনাৰ মূল বিষয় হিচাপে বাছি লোৱা হ'ল 'অসমীয়া লিপিৰ উদ্ভৱ, বিকাশ আৰু পৰিবৰ্তন'।

অসমীয়া সাহিত্যত লিপি কি, ইয়াৰ উৎপত্তি, বিৱৰণ, পৰিচয় আদি সকলো বহলাই আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল। অসমীয়া ভাষা আৰু সাহিত্য অধ্যয়ন কৰিবলৈ হ'লে অসমীয়া ভাষাটোৱে পূৰ্বতে কি অৱস্থাত আছিল আৰু বৰ্তমানে কি অৱস্থাত আছে তাৰ বিষয়ে অধ্যয়ন কৰাটো অতি আৱশ্যকীয়। সেইবাবে এই ভাষা সম্পৰ্কে তলত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

০.০২ বিষয়বস্তুৰ পৰিচয় :

সাধাৰণতে মানুহে ভাষা কʼবলৈ মুখেৰে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীক চিহ্ন বা ৰেখা-চিত্ৰৰ সহায়ত লিখা হয়, তাকে লিপি বোলে। লিপিক বাণী বা ভাষাৰ লৈখিক প্ৰতিৰূপ বুলিব পাৰি। লিপিৰ সহায়ত ভাষা এটাক লিখিত ৰূপ দিয়া হয়।